**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ত্ৰিদেশীয় ভ্ৰমণ সূচীৰ প্ৰথম দিনা জৰ্ডানৰ ৰজা আব্দুলা দ্বিতীয় বিন অল হুছেইনৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়।

২। সমগ্ৰ দেশে আজি ১৯৭১ চনত পাকিস্তানৰ বিৰুদ্ধে হোৱা যুঁজত ভাৰতৰ জয়ৰ স্মৃতিত বিজয় দিৱস উদযাপন কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি সাতদিনীয়া ভ্ৰমণসূচী লৈ কৰ্ণাটক, তামিলনাডু আৰু তেলেংগানালৈ যাব।

৪। ভাৰতৰ নিবনুৱাৰ হাৰ চলিত বৰ্ষৰ নৱেম্বৰত ৪ দশমিক ৭ শতাংশলৈ হ্ৰাস পাইছে বুলি পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ***আৰু***

৫। নতুন দিল্লীত অনুষ্ঠিত ৬৮ সংখ্যক ৰাষ্ট্ৰীয় শুটিং চেম্পিয়নশ্বিপত মনু ভাকেৰ আৰু চিমৰনপ্ৰীত কৌৰ ব্ৰাৰে সোণৰ পদক অৰ্জন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি অম্মানত জৰ্ডানৰ ৰজা আব্দুলা দ্বিতীয় বিন অল হুছেইনৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত দুয়োখন ৰাষ্ট্ৰৰ মাজত ৭৫ বছৰীয়া কূটনৈতিক সম্পৰ্কৰ বিষয়ে আলোকপাত কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে সন্ত্ৰাসবাদ আৰু উগ্ৰবাদৰ বিৰুদ্ধে জৰ্ডানৰ দৃঢ় স্থিতিৰ প্ৰশংসা কৰি ভাৰত আৰু জৰ্ডানৰ মাজত সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ ক্ষেত্ৰত এক উমৈহতীয়া পন্থা আছে বুলি কয়। প্ৰধানমন্ত্ৰীয়ে ২০১৫ চনত দুয়োখন ৰাষ্ট্ৰৰ মাজত হোৱা প্ৰথমখন বৈঠকৰ কথা উল্লেখ কৰি ৰজা দ্বিতীয় আব্দুলাৰ নেতৃত্বক প্ৰশংসা কৰে। শ্ৰীমোদীয়ে কয়, যে অন্যান্য ক্ষেত্ৰসমূহৰ লগতে দুয়োখন ৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক সহযোগিতা অধিক শক্তিশালী কৰা হ'ব। ৰজা আব্দুলা দ্বিতীয়ই সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ভাৰতৰ প্ৰচেষ্টাত জৰ্ডানৰ দৃঢ় সমৰ্থন আছে বুলি জনায়।

ত্ৰিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী আজি সন্ধিয়া দুদিনীয়া কাৰ্যসূচীৰে ইথিওপিয়াৰ ৰাজধানী আদ্দিছ আবাবালৈ যাব। এয়া হ'ব তেওঁৰ প্ৰথমটো ইথিওপিয়া আৰু আফ্ৰিকা মহাদেশলৈ দ্বিতীয়টো ভ্ৰমণ। শ্ৰীমোদীয়ে ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী ড০ এবি আহমেদ আলীৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশ সন্দৰ্ভত আলোচনাত মিলিত হ'ব। গোলকীয় দক্ষিণৰ অংশীদাৰ হিচাপে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে উভয় ৰাষ্ট্ৰৰ মাজৰ ঘনিষ্ঠ বন্ধুত্ব বৰ্তাই ৰখাৰ ক্ষেত্ৰত থকা তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতা নিশ্চিত কৰাৰ লগতে দ্বিপাক্ষিক সহযোগিতা ব্যাপক কৰি তুলিব। দুয়োগৰাকী নেতাই কৃষি, খনি, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, সৌৰ জোঁটবন্ধন আৰু চাইবাৰ নিৰাপত্তা আদি খণ্ডত ভাৰতৰ বিনিয়োগ সম্পৰ্কে পৰ্যালোচনা কৰাৰ সম্ভাৱনা আছে। এই ভ্ৰমণকালত নেতা দুয়োগৰাকীয়ে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহতো পৰ্যালোচনা কৰাৰ সম্ভাৱনা আছে। শ্ৰীমোদীয়ে ইথিওপিয়াৰ সংসদৰ যুটীয়া অধিৱেশনতো ভাষণ দিব।

ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী ১৭ ডিচেম্বৰত ওমানলৈ যাব আৰু তাত তেওঁ ছুলতান হেইথ্‌ম ইবন তাৰিকক সাক্ষাৎ কৰিব। ভাৰত আৰু ওমানৰ মাজত কূটনৈতিক সম্পৰ্কই ৭০ বছৰ সম্পূৰ্ণ কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

০০০০০

ভাৰত আৰু ইথিওপিয়াৰ মাজত শিক্ষা, দক্ষতা আৰু সামৰ্থ বৃদ্ধিৰ খণ্ডত অংশীদাৰিত্ব এক দীঘলীয়া ইতিহাস আছে। ভাৰতে ইথিওপিয়াৰ ছাত্ৰ-ছাত্ৰী আৰু বৃত্তিধাৰী লোকসকলক প্ৰশিক্ষণৰ সুবিধা আগবঢ়োৱাৰ লগতে জলপানি প্ৰদান কৰি আহিছে। ইথিওপিয়াত ভাৰতৰ ৰাষ্ট্ৰদূত অনিল কুমাৰ ৰায়ে আকাশবাণীৰ বাতৰি বিভাগক জনোৱা অনুসৰি ইথিওপিয়াৰ ভাৰতীয় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু পঞ্জীয়কৰ সম পদ মৰ্যাদাৰ ভালেমান অধ্যক্ষ আৰু উপাধ্যক্ষই আই চি চি আৰ আৰু অন্যান্য চৰকাৰী জলপানি আঁচনিৰ অধীনত ভাৰতত অধ্যয়ন কৰি আছে। ভাৰত আৰু ইথিওপিয়াৰ জনসাধাৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণলৈ উৎসুকতাৰে বাট চাই আছে বুলিও তেওঁ কয়।

০০০০০

সমগ্ৰ দেশে আজি ১৯৭১ চনত পাকিস্তানৰ বিৰুদ্ধে হোৱা যুঁজত ভাৰতৰ জয়ৰ স্মৃতিত বিজয় দিৱস উদযাপন কৰিছে। প্ৰতিবছৰে আজিৰ দিনটোত কৃতজ্ঞ ৰাষ্ট্ৰই প্ৰতিগৰাকী ভাৰতীয়ক উৎসাহিত আৰু গৌৰৱান্বিত কৰা বীৰ ছহিদসকলৰ সৰ্বোচ্চ ত্যাগৰ কাহিনীক স্মৰণ কৰে। আজিৰ দিনটোতে ১৯৭১ চনত পাকিস্তানী সেনা বাহিনীৰ মুৰব্বী জেনেৰেল এ এ খান নিয়াজিয়ে ৯৩ হাজাৰ সেনাবাহিনীৰ সৈতে ভাৰতীয় সেনাৰ সন্মুখত বিনা চৰ্তে আত্মসমৰ্পণ কৰিছিল। এই যুদ্ধৰ সমাপ্তিত পূব পাকিস্তানৰ পৰিৱৰ্তে বাংলাদেশ হিচাপে এখন নতুন ৰাষ্ট্ৰ গঠন হৈছিল।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি সাতদিনীয়া ভ্ৰমণসূচী লৈ কৰ্ণাটক, তামিলনাডু আৰু তেলেংগানালৈ যাব। কৰ্ণাটকৰ মালাৱল্লীত ৰাষ্ট্ৰপতিগৰাকীয়ে আদি জগতগুৰু শ্ৰী শিৱৰাত্ৰীশ্বৰ শিৱযোগী মহা স্বামীজীৰ এহেজাৰ ৬৬ সংখ্যক জয়ন্তী উদযাপনৰ শুভাৰম্ভ কৰিব। শ্ৰীমতী মুৰ্মুৱে কাইলৈ তামিলনাডুলৈ যাব আৰু তাত তেওঁ ভেল্লুৰৰ গ'ল্ডেন টেম্পল দৰ্শন কৰিব। ইয়াৰ পাছত তেওঁ চেকেন্দ্ৰাবাদৰ বলাৰুমৰ ৰাষ্ট্ৰপতি নিলায়মত উপস্থিত হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে শুকুৰবাৰে তেলেংগানা লোকসেৱা আয়োগৰ দ্বাৰা হায়দৰাবাদত আয়োজিত লোকসেৱা আয়োগৰ অধ্যক্ষৰ ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ২১ সংখ্যক জয়ন্তী উপলক্ষে ব্ৰহ্মকুমাৰী শান্তি সৰোবৰে শনিবাৰে হায়দৰাবাদত আয়োজন কৰা **ভাৰতৰ কালজয়ী প্ৰজ্ঞা ঃ শান্তি আৰু প্ৰগতিৰ পথ** শীৰ্ষক সন্মিলনতো ভাষণ দিয়াৰ কথা আছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কালি আবু ধাবিত মুবাডালা বিনিয়োগ কোম্পানীৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া খালদুন খালিফা অল মুবাৰকক সাক্ষাৎ কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা প'ষ্টত ড০ জয়শংকৰে তেওঁক অৰ্থনৈতিক সহযোগিতাৰ ন ন সুযোগসমূহৰ বিষয়ে অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে তেওঁলোকে বিশ্বৰ ভূ-অৰ্থনৈতিক পৰিস্থিতি তথা সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ আৰু ভাৰতৰ মাজত সম্পৰ্ক অধিক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত মত বিনিময় কৰে।

০০০০০

লোকসভাত কালি বিকশিত ভাৰত শিক্ষা অধিষ্ঠান বিধেয়ক ২০২৫ উত্থাপন কৰাৰ পিছত সংসদৰ যুটীয়া সমিতিলৈ পুনৰীক্ষণৰ বাবে প্ৰেৰণ কৰা হয়। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে বিধেয়কখন লোকসভাত উত্থাপন কৰে। অৱশ্যে বিৰোধী দলৰ সদস্যসকলে এই বিধেয়কখন উত্থাপনৰ বিৰোধিতা কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে কাৰ্য উপদেষ্টা সমিতিৰ বৈঠকত কেইবাগৰাকীও সাংসদে বিধেয়কখনৰ সন্দৰ্ভত ব্যাপক বিচাৰ বিবেচনাৰ ক্ষেত্ৰত জোৰ দিছিল। তেওঁ কয় যে তেওঁলোকৰ অনুৰোধ ৰক্ষা কৰি চৰকাৰে এই বিধেয়ক পৰৱৰ্তী পৰ্যায়ত ব্যাপক পুনৰীক্ষণৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰিছে। বিকশিত ভাৰত শিক্ষা অধিষ্ঠান বিধেয়কৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ সৰলীকৰণ আৰু অন্যান্য উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ শিক্ষণ, শিকন, গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত অধিক সফল কৰি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ লগতে বিধেয়কখনৰ জৰিয়তে এখন বিকশিত ভাৰত শিক্ষা অধিষ্ঠান গঢ়ি তুলিবলৈ বিচৰা হৈছে, যাৰ জৰিয়তে বিশ্ববিদ্যালয় আৰু এই উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক স্বাধীনচিতীয়া আৰু স্বপৰিচালিত প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলা হ'ব।

০০০০০

বিশ্বৰ ৩ দশমিক ২ শতাংশ বৃদ্ধিৰ বিপৰীতে ৮ দশমিক ২ শতাংশ বৃদ্ধিৰ হাৰেৰে ভাৰত দ্ৰুতগতিত বৃদ্ধি পোৱা বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হৈছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰিছে। তেওঁ কয়, যে চলিত বিত্তীয় বৰ্ষত সকলো গোলকীয় সংস্থাই দেশৰ বিকাশৰ দৃষ্টিকোণ বৃদ্ধি কৰিছে। লোকসভাত কালি বিত্তমন্ত্ৰীগৰাকীয়ে ২০২৫-২৬ বৰ্ষৰ অনুদানৰ পৰিপূৰক দাবীৰ উত্তৰত এইদৰে কয়। দেশৰ অৰ্থনীতি সন্দৰ্ভত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নেতিবাচক মন্তব্যৰ প্ৰতি সঁহাৰি জনোৱাৰ বাবে বিৰোধী দলক তীব্ৰ সমালোচনা কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে তিনিটা প্ৰধান আন্তঃৰাষ্ট্ৰীয় সংস্থা ডি বি আৰ এছ, এছ এণ্ড পি আৰু আৰ এণ্ড আইৰ পৰা ৰেটিং উন্নীতকৰণ লাভ কৰি সমালোচক সকলক মিছা বুলি প্ৰতিপন্ন কৰে।

০০০০০

ভাৰতৰ নিবনুৱাৰ হাৰ চলিত বৰ্ষৰ নৱেম্বৰত ৪ দশমিক ৭ শতাংশলৈ হ্ৰাস পাইছে। এপ্ৰিলৰ পাছৰ পৰা এয়া হৈছে ১৫ বছৰ আৰু তাতোকৈ অধিক বয়সৰ ব্যক্তিৰ ক্ষেত্ৰত সৰ্বনিম্ন হাৰ। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ তথ্য অনুসৰি গ্ৰাম্য অঞ্চলৰ নিবনুৱাৰ ৩ দশমিক ৯ শতাংশলৈ হ্ৰাস পোৱাৰ বিপৰীতে চহৰ অঞ্চলত এই হাৰ ৬ দশমিক ৫ শতাংশলৈ হ্ৰাস পাইছে।

০০০০০

কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ আয়ুক্ত প্ৰবীন কুমাৰে চৰকাৰ আৰু উদ্যোগসমূহৰ একেটাই লক্ষ্য, সেয়া হৈছে দীৰ্ঘস্থায়ী বিকাশ আৰু কৃষকসকললৈ প্ৰত্যক্ষ সুবিধা আগবঢ়োৱা বুলি উল্লেখ কৰিছে। নতুন দিল্লীত কালি ফিক্কীৰ দীৰ্ঘস্থায়ী কৃষি সন্মিলন আৰু বঁটা ২০২৫ৰ পঞ্চম সংস্কৰণত ভাষণ দি তেওঁ এইদৰে কয়। তেওঁ মাটিৰ স্বাস্থ্য উন্নত কৰা, জল বিতৰণ ব্যৱস্থাপনা আৰু পেলনীয়া সামগ্ৰীৰ পৰা সম্পদ সৃষ্টিত গুৰুত্ব দি কৃষকৰ আয় বৃদ্ধি সম্পৰ্কে আলোকপাত কৰে। কৃষকসকলক বজাৰ নীতিৰ সৈতে সংযোজিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে ভৱিষ্যতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দেখা দিব পৰা চাহিদাসমূহৰ বিষয়েও তেওঁলোকক শিক্ষিত কৰা তোলা প্ৰয়োজন বুলি শ্ৰীকুমাৰে মত প্ৰকাশ কৰে।

০০০০০

নতুন দিল্লীৰ ড০ কৰ্ণি সিং শ্বুটিং ৰেঞ্জত অনুষ্ঠিত ৬৮ সংখ্যক ৰাষ্ট্ৰীয় শ্বুটিং চেম্পিয়নশ্বিপ প্ৰতিযোগিতাত দুবাৰৰ অলিম্পিক পদক বিজেতা মনু ভাকেৰ আৰু আই এছ্ এছ্ এফ বিশ্বকাপ ২০২৫ত সোণৰ পদক বিজেতা চিমৰনপ্ৰীত কৌৰ ব্ৰাৰে সোণৰ পদক অৰ্জন কৰিছে। ছিনিয়ৰ মহিলাৰ ২৫ মিটাৰ স্পৰ্টছ্ পিষ্টল শিতানত মনু ভাকেৰে আৰু জুনিয়ৰ মহিলাৰ ২৫ মিটাৰ স্পৰ্টছ্ পিষ্টল শিতানত চিমৰনপ্ৰীতে সোণৰ পদক অৰ্জন কৰে।

০০০০০

সমাপ্ত